**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-09 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। সমগ্ৰ দেশতে আজি শিক্ষক দিৱস উদযাপন। তেজপুৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষকৰ বঁটা প্ৰদান।
২। বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। ৪০ টা সমষ্টিৰ বাবে ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত।
৩। গুৱাহাটীৰ ফটাশিল আমবাৰীত উন্মুক্ত নলাত পৰি এটি শিশুৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ঠিকাদাৰী প্ৰতিষ্ঠানৰ তিনিজন লোকক গ্ৰেপ্তাৰ।
৪। সামগ্ৰী আৰু সেৱা কৰৰ স্তৰ বৰ্তমানৰ ৪ টাৰ পৰা ২ টালৈ হ্ৰাস কৰাৰ সিদ্ধান্তক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ আদৰণি। ***আৰু***
৫। বিহাৰত চলি থকা পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ খেলত কাইলৈ ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ।।

ooooo

প্ৰসিদ্ধ শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি সমগ্ৰ দেশতে শিক্ষক দিৱস উদযাপন কৰা হয়।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাজ্যৰ ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰে। এই অনুষ্ঠানতে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ, NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা ছখন মহাবিদ্যালয়ৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে এইবাৰ পাণ্ডু মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, মৰিগাওঁ মহাবিদ্যালয়, গড়গাওঁ মহাবিদ্যালয় আৰু দিশপুৰ মহাবিদ্যালয়ে NAAC-ৰ এ-গ্ৰেড লাভ কৰিছে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে সহযোগী এন চি চি বিষয়া হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়োৱা ৪ গৰাকী সহযোগী অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জ্ঞাপন কৰে। গৱেষণাৰ জৰিয়তে নিজস্ব আৱিষ্কাৰ বা উদ্ভাৱনৰ বাবে পেটেণ্ট লাভ কৰা ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ অধ্যাপকসকলকো আজি সম্বৰ্ধনা জনোৱা হয়। তদুপৰি মৌলিক গৱেষণাৰে পেটেণ্ট লাভ কৰিবলৈ সক্ষম হোৱা ৪ খন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা ধেমাজী, শিৱসাগৰ আৰু মাজুলিৰ লগতে বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

ইপিনে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষককে ধৰি দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হয়। ডিব্ৰুগড়ৰ নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে ৰাষ্ট্ৰপতিৰ পৰা এই সন্মানীয় বঁটা গ্ৰহণ কৰে।

০০০০

সমগ্ৰ ৰাজ্যতে আজি বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়। ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই শিক্ষক দিৱস উপলক্ষে  যোৰহাটৰ টীয়কৰ আধাৰসত্ৰত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত বৰ্ষীয়ান ব্যক্তি ৰজত চন্দ্ৰ গোস্বামীক সম্বৰ্ধনা জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে শিক্ষকগৰাকীক সমাজৰ প্ৰতি আগবঢ়োৱা সেৱাৰ  শলাগ লয়।

**বাইট ঃ ৰাজ্যপাল**

মৰিগাওঁ জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত জিলাখনৰ শ্ৰেষ্ঠ বিদ্যালয়ৰ  বঁটা প্ৰদান কৰা হয়। মৰিগাওঁ মজলীয়া বিদ্যালয় আৰু মৰিসুঁতি টোপ নতুন প্ৰাথমিক বিদ্যালয়ে এই বঁটা লাভ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান কুলধৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দৰং জিলা প্ৰাদেশিকীকৃত বিদ্যালয় অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী সংস্থাই শিক্ষক দিৱস উপলক্ষে জিলাখনৰ ২৩ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক আঞ্চলিক সমিতিৰ সহযোগত সম্বৰ্ধনা জ্ঞাপন কৰে। গোৱালপাৰা চহৰত নটসূৰ্য্য ফণী শৰ্মা ভৱনত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ পৰা বাচনি কৰা ২৪ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হয়। কাছাৰ জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ভৱনত আয়োজিত কাৰ্যসূচীত জিলাখনৰ ২৫ গৰাকী কৃতী শিক্ষকক সম্বৰ্ধনা জনোৱা হয়।

শিক্ষক দিৱস উপলক্ষে ভাৰতীয় দলিত সাহিত্য একাডেমীৰ অসম ৰাজ্যিক সমিতিয়ে আজি গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত অনুষ্ঠানত ৰাজ্যৰ ৩৭ গৰাকী কৃতী শিক্ষকক বঁটা প্ৰদান কৰে।

ডিব্ৰুগড়, শিৱসাগৰ, ধেমাজী, যোৰহাট, গোলাঘাট আদিকে ধৰি ৰাজ্যৰ প্ৰতিখন জিলাতে আজি বিভিন্ন কাৰ্যসূচীৰে শিক্ষক দিৱস উদযাপন কৰা হয়।

ইপিনে শিক্ষক দিৱসৰ দিনটোতে আজি সদৌ অসম অপ্ৰাদেশিকীকৃত মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক শিক্ষক সন্থাই কেইবা দফীয়া দাবীৰে লতাশিল খেলপথাৰত অৱস্থান ধৰ্মঘট কৰে।  শিক্ষকসকলে তেওঁলোকৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়।

০০০০০

বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। নিৰ্বাচনৰ বাবে ৪০ টা সমষ্টিৰ বাবে ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হোৱাৰ বিপৰীতে দুজনৰ মনোনয়ন পত্ৰ নাকচ কৰা হৈছে। বাক্সা জিলাৰ মুঠ ৬৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। কোকৰাঝাৰ জিলাত ১৩২ গৰাকী, তামুলপুৰ জিলাত ৫০গৰাকী আৰু ওদালগুৰি জিলাত মুঠ ৭৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। চিৰাং জিলাত ৬৩গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। জিলাখনৰ এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছে।

ৰাজ্য চৰকাৰে বিটিচি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিটিচিৰ অন্তৰ্গত পাঁচখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওডালগুৰি জিলাত অহা ২২ ছেপ্তেম্বৰৰ দিনটো নেগ'চিয়েবল ইনষ্ট্ৰুমেণ্টচ এক্টৰ অধীনত বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।

ooooo

বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণ কৰাৰ চেষ্টা চলাইছে। মন্ত্ৰী তথা জেষ্ঠ্য বিজেপি নেতা ৰঞ্জিত কুমাৰ দাসে আজি বাক্সা জিলাৰ ভোটেপোৱাবৰীৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ এখন বৈঠকত অংশ লয়। বিজেপি প্ৰাৰ্থী ৰমেন মদাহীৰ হৈ প্ৰচাৰ চলাই তেওঁ গোট সমিতিৰ কৰ্মী সকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰী তথা জেষ্ঠ্য বিজেপি নেতা পীয়ুষ হাজৰিকাই ওডালগুৰি জিলাত বিটিআৰ নিৰ্বাচনৰ এখন প্ৰস্তুতিমূলক সভাত অংশ লয়। এই কাৰ্যসূচীত ওডালগুৰি জিলাৰ বিজেপিৰ এটা অস্থায়ী কাৰ্য্যালয় মুকলি কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ নেতা প্ৰমোদ বড়োৱে গইবাৰী সমষ্টিত প্ৰচাৰ চলায়।

ooooo

গুৱাহাটীৰ ফটাশিল আমবাৰীত উন্মুক্ত নলাত পৰি এটি শিশুৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ফটাশিল আৰক্ষীয়ে আজি ঠিকাদাৰী প্ৰতিষ্ঠানৰ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। নলা নিৰ্মাণৰ সময়ত সুৰক্ষাজনিত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগত আৰক্ষীয়ে ভাৰ্তিয়া ইনফ্ৰা প্ৰকল্প লিমিটেডৰ সঞ্চালক অবিনাশ ভাৰ্তিয়া, নিৰাপত্তা অভিযন্তা কৌশিক গগৈ আৰু উপ প্ৰকল্প প্ৰৱন্ধক প্ৰসন্ন জিৎ পাঠকক গ্ৰেপ্তাৰ কৰে। এই ঘটনা সংক্ৰান্তত নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ আৰু অধিক লোক গ্ৰেপ্তাৰৰ সম্ভাৱনা আছে বুলি আৰক্ষীয়ে জনাইছে। উল্লেখযোগ্য যে মৃত শিশুটিৰ পিতৃয়ে ফটাশিল থানাত নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে দাখিল কৰা এহাজাৰৰ ভিত্তিত আৰক্ষীয়ে আজি লোককেইজনক গ্ৰেপ্তাৰ কৰে।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ সকলো উন্মুক্ত MANHOLE আৰু নলাৰ উপগ্ৰহৰে জৰীপ চলাই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিছে। ড° শৰ্মাই নলা উন্মুক্ত কৰি ৰখাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

ooooo

জি এছ টি পৰিষদে অহা ২২ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ সামগ্ৰী আৰু সেৱা কৰৰ স্তৰ বৰ্তমানৰ ৪ টাৰ পৰা ২ টালৈ হ্ৰাস কৰাৰ সিদ্ধান্তক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে আদৰণি জনাইছে। এই সিদ্ধান্তৰ ফলত দেশৰ বজাৰৰ ১৭৫ বিধ সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস পাব। জি এছ টি পৰিষদৰ সিদ্ধান্ত সম্পৰ্কত গুৱাহাটীৰ এগৰাকী গৃহিনীয়ে এইদৰে কয়।

বাইট

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৭ ছেপ্তেম্বৰৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত জি এছ টি হ্ৰাস সম্পৰ্কে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মতামত প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ৰাজ্য চৰকাৰৰ মাতৃ-পিতৃ বন্দনা আঁচনিৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে বিশেষ নৈমিত্তিক ছুটি মঞ্জুৰ কৰা হৈছে। এই সন্দৰ্ভত  সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা নিৰ্দেশ অনুসৰি অহা ১৪ আৰু ১৫ নৱেম্বৰত কৰ্মচাৰীসকলে এই বিশেষ নৈমিত্তিক ছুটি লাভ কৰিব। কৰ্মচাৰীসকলে ১৬ নৱেম্বৰ অৰ্থাৎ দেওবাৰৰ দিনটোও মাতৃ-পিতৃ- বন্দনাৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি কাছাৰ জিলাৰ আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। এই বৈঠকত সকলো উচ্চ পদস্থ বিষয়াৰ লগতে প্ৰতিখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সকলে এই বৈঠকত অংশ লয়। সঞ্চালক প্ৰধান গৰাকীয়ে বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে অসম আৰক্ষীক দেশৰ শীৰ্ষ পাঁচটা আৰক্ষী বাহিনীৰ ভিতৰত অন্তৰ্ভূক্ত কৰাৰ লক্ষ্যৰে কাম কৰি থকা হৈছে। ইয়াৰ বাবে আৰক্ষী বাহিনীৰ আন্তঃগাঁথনি নিৰাপত্তা ব্যৱস্থা আৰু সেৱাৰ উন্নয়ন সন্দৰ্ভত গুৰুত্ব দিয়া হৈছে বুলি তেওঁ কয়। জনসাধাৰণক সুৰক্ষা দিয়াৰ লগতে ক্ষীপ্ৰতাৰে সেৱা আগবঢ়োটোৱেই অসম  আৰক্ষীৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। অসমত অনুপ্ৰেৰশকাৰীক ৰোধ কৰাৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে সদায় সক্ৰিয় হৈ আছে বুলিও তেওঁ কয়।

০০০০০

ৰাজ্যখনৰ বিভিন্ন ঠাইৰ কৃষি ভূমিত শুঁৰ পোকৰ উপদ্ৰৱ ৰোধ কৰিবলৈ কৃষি বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। কৃষি মন্ত্ৰী অতুল বৰাই দিচপুৰৰ জনতা ভৱনত আজি কৃষি বিভাগৰ উচ্চ পদস্থ বিষয়া সকলৰ সৈতে এই সন্দৰ্ভত পৰ্যালোচনা অংশ লয়। ৰাজ্যখনৰ কেইবাখনো জিলাৰ খৰাং সদৃশ পৰিস্থিতি কৃষক সকলক সহায় কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কাজিৰঙাত নিৰ্মীয়মান অৰ্কিড উদ্যান, গোৱালপাৰাৰ দৰংগিৰিত নিৰ্মীয়মান কলৰ বজাৰ গৃহ শেহতীয়া অগ্ৰগতিৰ সন্দৰ্ভতো বৈঠকত পৰ্যালোচনা কৰে। তেওঁ কৃষক সকলক উন্নতমানৰ বীজ, কৃষি যন্ত্ৰ-পাতি বিতৰণ আৰু সাৰ উপলভ্যতাৰ বিষয়েও বৈঠকত বুজ লয়।

০০০০০

বিহাৰৰ ৰাজগীড়ত চলি থকা পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত কাইলৈ ভাৰতে চীনৰ বিৰুদ্ধে খেলিব। খেলখন ৰাজগীড় আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। ভাৰতে এতিয়ালৈকে এখন খেলত জয়লাভ কৰাৰ লগতে আন এখন খেলত সমতা স্থাপন কৰি ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাৰ শীৰ্ষস্থানত আছে। কালি সন্ধিয়া অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে মালয়েছিয়াক ৪-১ গ'লত পৰাস্ত কৰিছিল। অধিনায়ক হৰমনপ্ৰীত সিঙৰ নেতৃত্বত ভাৰতীয় দলটোৱে আক্ৰমণাত্মকভাৱে খেলি প্ৰতিযোগিতাৰ শক্তিশালী মালয়েছিয়াক পৰাস্ত কৰিছিল। ০

০০০০০

সমাপ্ত